# कुमार भास्कर वर्मा संस्कृत विश्वविद्यालय में भाषा निर्माण कार्यशाला का आयोजन



नलबाड़ी, 15 अक्तूबर (ख.सं.)। भारत सरकार के शिक्षा मंत्रालय के अधीन भारतीय भाषा समिति भारतीय भाषाओं के संरक्षण तथा विकास को ध्यान में रखते हुए राष्ट्रीय शिक्षा नीति 2020 के अन्तर्गत सम्पूर्ण भारत राष्ट्र के विभिन्न क्षेत्रों में भाषा निर्माण कार्यशाला का आयोजन कर रही है। इसके अंतर्गत असम प्रदेश के नलबाड़ी स्थित कुमार भास्कर वर्मा संस्कृत पुरातन अध्ययन विश्वविद्यालय, असम में अक्तूबर मास के 15 अक्तूबर और 16 अक्तूबर को भाषा निर्माण कार्यशाला का आयोजन किया गया। इस कार्यक्रम में प्रशिक्षण के लिए भारत राष्ट्र के पुणे स्थित वैदिक संशोधन मंडल के निदेशक वी सुब्रह्मण्य वेरिविंटी, काशी हिंदू विश्वविद्यालय वाराणसी से डॉ. प्रियव्रत मिश्र बेंगर कर्नाटक से डॉ. उमामहेश्वर एम पुणे से डॉ. भद्र शर्मा इत्यादि विद्वान उपस्थित थे। कार्यक्रम का उद्घाटन विश्वविद्यालय के कुलपति प्रोफेसर प्रह्लाद रा जोशी ने किया तथा कुलसचिव डॉ. विकाश भार्गव शर्मा, डॉ. रणजीत तिवारी इत्यादि उपस्थित थे। कार्यक्रम के समन्वयक डॉ. सुधाकर मिश्र, संयोजक डॉ. कमललोचन आत्रेय, संयोजिका डॉ. बर्णाली बरठाकुर, डॉ. मैत्रेयी गोस्वामी, विवेक आचार्य, गुणीन सैकिया, लोपामुद्रा गोस्वामी उपस्थित थे।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ত ‘শব্দ নিৰ্মাণ কৰ্মশালা’ আৰম্ভ



**নিয়মীয়া বাৰ্তা, নলবাৰী, ১৫ অক্টোবৰ ঃ** আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে নলবাৰীস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ সভাগৃহত ভাৰতীয় ভাষা সমিতিৰ সহযোগত “Uniform Scientific and Technical Terminology for Indian Language” শীৰ্ষক কৰ্মশালাৰ আৰম্ভ হৈছে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ প্ৰহ্লাদ আৰ যোশীয়ে শুভাৰম্ভণি কৰা কৰ্মশালাত দেশৰ বিভিন্ন প্ৰান্তৰ সত্তৰগৰাকী অংশগ্ৰহণকাৰীয়ে ভাগ লয়। দুদিন ধৰি চলিবলগীয়া এই কাৰ্যসূচীত সম্মল ব্যক্তি হিচাপে উপস্থিত থাকে পুনেৰ বৈদিক সংশোধন মণ্ডলৰ আদৰ্শ সংস্কৃত গৱেষণা প্ৰতিষ্ঠানৰ নিৰ্দেশক প্ৰফেছৰ ভি সুব্ৰমণিয়াম। তেওঁ ‘শব্দ গঠনৰ প্ৰেক্ষাপটত ব্যাকৰণৰ সৃষ্টিশীল ভূমিকা’ সম্পৰ্কে অংশগ্ৰহণকাৰীসকলৰ আগত ব্যক্ত কৰে। ইয়াৰ পিছতে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰিয়ব্ৰত মিশ্ৰই ‘শব্দ গঠনৰ নতুনপথ’ সম্পৰ্কে তেওঁৰ বক্তৃতা দিয়ে। শব্দ নিৰ্মাণৰ এই কৰ্মশালাৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীত সম্মল ব্যক্তি হিচাপে উপস্থিত থাকিব পুনেস্থিত ডেক্কান কলেজৰ IKS-EDS Centreৰ সহযোগী অধ্যাপক ড° ভৱ শৰ্মাই। তেওঁৰ কাৰিকৰী সত্ৰত ‘‘Brief History of Scientific and technical Terms in India and Use of Sanskrit Computation Tool For Development of Uniform Scientific Terminology’’ শীৰ্ষক বিষয়ত অংশগ্ৰহণকাৰীসকলৰ সন্মুখত বক্তৃতা প্ৰদান কৰিব। কৰ্মশালাৰ পঞ্চম সত্ৰত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° কণিমা শৰ্মাই ‘অনুবাদ কলাত শব্দ প্ৰয়োগৰ কৌশল’ বিষয়ত বক্তৃতা প্ৰদান কৰিব। ষষ্ঠ সত্ৰত বেংগালুৰুৰ পৰা অহা বিশিষ্ট সংস্কৃত পণ্ডিত অষ্টাৱধানী ড° উমা মহেশ্বৰ দেৱে ‘ভাৰতীয় ভাষাত ‘নতুন শব্দ নিৰ্মাণৰ কৌশল’ বিষয়ত আলোকপাত কৰিব। উল্লেখ্য যে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয় আৰু ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ অধীনস্থ ভাৰতীয় ভাষা সমিতিৰ যৌথ প্ৰচেষ্টাত আয়োজিত এই কৰ্মশালাই বিভিন্ন কাৰিকৰী আৰু বৈজ্ঞানিক শব্দসমূহ ভাৰতীয় ভাষাসমূহত নিৰ্মাণ কৰাত বিশেষ অৰিহণা যোগাব।

# कैंप में प्रतिभागियों ने असम के वीसी का किया स्वागत



असम के नलबाड़ी बीएसपीयू के कुलपति को सम्मानित करते प्रतिभागी। ●● हिन्दुस्तान

**मधेपुरा, निज संवाददाता।** बिहार की सांस्कृतिक गतिविधियों की छटां बिखेरने के लिए राष्ट्रीय एकता कैंप में शामिल प्रतिभागियों ने असम में कुलपति को सम्मानित किया।

राष्ट्रीय सेवा योजना के द्वारा भूपेंद्र नारायण मंडल विश्वविद्यालय से दलनायक सह यूभीके कॉलेज कडामा आलमनगर के प्रो. प्रेमनाथ आचार्य के नेतृत्व में छह एवं पूर्णिया विश्वविद्यालय से चार स्वयंसेवकों की टीम असम प्रदेश के नलवाड़ी स्थित कुमार भास्कर वर्मा संस्कृत पुरातनाध्ययन विवि पहुंचे हुए हैं। इस दौरान बिहार के स्वयंसेवकों ने उस विश्वविद्यालय के कुलपति प्रो. प्रहलाद आर्य जोशी को मिथिलांचल का पाग एवं मैथिली पेंटिंग वाला अंग वस्त्र देकर सम्मानित किया। विश्वविद्यालय समन्वयक डॉ. सुधांशु शेखर ने बताया कि बिहार के स्वयंसेवकों ने सोमवार को आयोजन स्थल पर प्रवेश करने के साथ ही अपने सांस्कृतिक गतिविधियों को प्रदर्शित करना प्रारंभ किया।

दलनायक प्रो. प्रेमनाथ आचार्य ने बताया कि जिस प्रकार से मधेपुरा विश्वविद्यालय में कुलपति डॉ विमलेंदु शेखर झा के दिशा निर्देश पर एवं विश्वविद्यालय राष्ट्रीय सेवा योजना कार्यक्रम समन्वयक डॉ. सुधांशु शेखर के नेतृत्व में विश्वविद्यालय में सभी स्वयंसेवी शिष्टता का परिचय देते हुए हर कार्य को बखूबी करते आए हैं। उन्होंने बताया कि शिविर 28 दिसंबर तक आयोजित किया जा रहा है जिसमें बीएनएमयू और पीयू की टीम भी भाग ले रही है।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

পাঁচগৰাকী সংস্কৃত পণ্ডিতক সম্বৰ্ধনা

## কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়ত সন্মান সমাৰোহ-ৰাজ্যপালৰ বৃত্তি প্ৰদান



নিয়মীয়া বাৰ্তা, নলবাৰী, ২৭ ডিচেম্বৰ । নলবাৰীস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি সংস্কৃত-বিদ্বত-সন্মান সমাৰোহ আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীক অসমৰ ৰাজ্যপালৰ বৃত্তি প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। বৈদিক মংগলাচৰণেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত অসমৰ পাঁচজন সংস্কৃত পণ্ডিতক বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই সম্বৰ্ধনা গ্ৰহণ কৰা তিনিগৰাকী— সংস্কৃত পণ্ডিত ড° নন্দিতা ভট্টাচাৰ্য, অধ্যাপক ৰাজেন্দ্ৰনাথ শৰ্মা আৰু ড° সুৰেশ চন্দ্ৰ বৰা। তেওঁলোকে বিশ্ববিদ্যালয়ৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে আৰু সংস্কৃত ভাষা-সাহিত্যৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতাক স্মৰণ কৰে। আন দুজন সংস্কৃত পণ্ডিত অধ্যাপক নলিনী দেৱী মিশ্ৰ আৰু ড° শইকীয়া উপস্থিত নাছিল যদিও তেওঁলোকৰ প্ৰশস্তি-পত্ৰসমূহ সভাত পাঠ কৰি দিয়া হয়। অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক প্ৰহ্লাদ আৰ যোশীয়ে কয় যে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ে পণ্ডিত-আচাৰ্যসকলৰ সহায়ত সংস্কৃত ভাষাৰ প্ৰসাৰৰ বাবে ধাৰাবাহিকভাৱে প্ৰয়াস কৰি আছে। এই অনুষ্ঠানতে অসম চৰকাৰৰ ২০২৪ বৰ্ষৰ 'যুৱ লেখক সন্মান' প্ৰাপ্ত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° দীপশিখা শইকীয়াক বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পৰৱৰ্তী আনুষ্ঠানিকভাৱে বিশ্ববিদ্যালয়ৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক ৰাজ্যপালৰ পুৰস্কাৰ প্ৰদান কৰা হয়। এই পুৰস্কাৰত আছে মেডেল, মানপত্ৰ, মানপত্ৰ আৰু নগদ ধন। মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ নামসমূহ হ'ল দিব্যজ্যোতি কাকতি, দিতুমণি ডেকা, সুমন্ত তালুকদাৰ, দীক্ষিতা বৰ্মন, বিশ্বনাথ আৰু জ্যোতি ৰাজবংশী। আন এগৰাকী ছাত্ৰী মনীষা দেৱীক বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা বৃত্তি প্ৰদান কৰা হয়। সংস্কৃত পণ্ডিতসকল আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই হাতেৰে মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। এই দুয়োটা অনুষ্ঠানৰ পৰিচালনা কৰিছিল বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক, অধ্যাপক পৰিমল কুমাৰ তিৱাৰী আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰামৰ্শ সমিতিৰ সভাপতি তথা শিক্ষাতত্ত্ব বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক মল্লিকা কলিতা। বিশ্ববিদ্যালয়ৰ সংস্কৃত পুৰাণ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক বিবেক অধিকাৰী যীশু বৰা এই অনুষ্ঠানৰ ধন্যবাদ জ্ঞাপন কৰে বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, অধ্যাপক বিকাশ ভাৰতী শৰ্মাই। অনুষ্ঠানটোত বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক, অধ্যাপক জ্যোতিষ পাঠক, সংস্কৃত পণ্ডিতসকলৰ পৰিয়ালবৰ্গ, মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ পৰিয়ালবৰ্গ আৰু বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ বিভাগীয় প্ৰধান তথা অধ্যাপক-অধ্যাপিকাসকল আৰু শতাধিক ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

কৰে জিলাৰ উপ-সভানেত্ৰী আৰু সম্পাদনা সমিতিৰ উপদেষ্টা দীপ্তি দেৱী শৰ্মাই। উন্মোচকদ্বয়ে গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত মুখপত্ৰ এখনৰ গুৰুত্ব আৰু সাহিত্যৰ ক্ষেত্ৰখনত নাৰীৰ ভূমিকা

## শ্ৰেষ্ঠ সাংস্কৃতিক প্ৰতিযোগী দল নিৰ্বাচিত বিহাৰৰ দল

# কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত, পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় একতা শিবিৰ

**নলবাৰী** ঃ নিজা বাতৰি দিওঁতা, ২৯ ডিচেম্বৰ ঃ নলবাৰীস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ত ঐক্য, সাংস্কৃতিক সম্প্ৰীতি, যুৱ নেতৃত্বৰ পোষকতাৰ লক্ষ্যৰে আয়োজিত সপ্তাহজোৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ একতা শিবিৰৰ কালি সামৰণি পৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আঞ্চলিক সঞ্চালকালয়ৰ উদ্যোগত আৰু কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ সহযোগত আয়োজিত এই শিবিৰত তেলেংগানা, কৰ্ণাটক, বিহাৰ, ওড়িশা, ত্ৰিপুৰা, পশ্চিমবংগ, ছিকিম, মণিপুৰ, অৰুণাচল আৰু অসমৰ ৫খন বিশ্ববিদ্যালয় ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, মাধৱদেৱ বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ মুঠ ২১০গৰাকী এন এছ এছ ভলণ্টিয়াৰ আৰু এন এছ এছ গোটসমূহৰ তত্বাৱধায়কসকলে অংশগ্ৰহণ কৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ড° প্ৰহ্লাদ আৰ যোশীয়ে বিশ্ববিদ্যালয়ৰ পতাকা উত্তোলন কৰাৰ উপৰি এন এছ এছৰ ক্ষেত্ৰীয় সঞ্চালক ডি কাৰ্থেগুৱেনে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ পতাকা উত্তোলন কৰে। অনুষ্ঠানটোৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাৰতীয় শিক্ষণ মণ্ডলৰ সম্পাদক দীপক কুমাৰ শৰ্মা। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় একতা শিবিৰৰ প্ৰতিটো দিনতে একৰ পৰা দুজন অভিজ্ঞ ব্যক্তিৰ দ্বাৰা ভলণ্টিয়াৰসকলক প্ৰেৰণাদায়ক পৰামৰ্শৰ দুই-তিনি ঘণ্টাজোৰা একোটা শ্ৰেণীৰ ব্যৱস্থা কৰা হয়। এইসকলৰ ভিতৰত ক্ৰমে ৰত্না সিং ভৰদ্বাজ, সুনীল বসুমতাৰী, ড° হীৰকজিৎ ৰয়, চুইটী তালুকদাৰ, নকুল চন্দ্ৰ দেউৰী আৰু ডি




এছ পি পৰীক্ষিত লাহন আছিল অন্যতম। ৰত্না সিং ভৰদ্বাজে কেইবাটাও জীৱন পাৰদৰ্শিতাৰ লগত স্বেচ্ছাসেৱকসকলক পৰিচয় কৰি দিয়াৰ লগতে এইসমূহৰ ব্যৱহাৰে কিদৰে এক ব্যক্তি সত্তাৰ জন্ম দিয়ে, এই সম্পৰ্কে বাস্তৱিক জ্ঞান প্ৰদান কৰে। বসুমতাৰীয়ে নেতৃত্বৰ মান বিকাশৰ বিষয়ে বক্তৃতা দিয়ে। চুইটী তালুকদাৰে স্বচ্ছ ভাৰতৰ বিষয়ে, ড° হীৰকজিৎ ৰয়ে Leadership skill and Youth in Contemporary Societies বিষয়ত জ্ঞান প্ৰদান কৰে। পঞ্চম দিনা অনুষ্ঠানটোৰ মুখ্য আয়োজক তথা বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমন্বয়ক ড° গুণীন শইকীয়াই স্বেচ্ছাসেৱকসকলক অসমৰ সম্প্ৰীতিৰ অন্যতম নিদৰ্শন হাজোৰ ঐতিহ্য ক্ষেত্ৰসমূহ পৰিদৰ্শন কৰোৱায়। অনুষ্ঠানতে সপ্তাহজোৰা কাৰ্যক্ৰমণিকাত কেইবাটাও শিতানত আয়োজিত প্ৰতিযোগিতাসমূহৰ বঁটা বিজয়ীসকলৰ মাজত বঁটা প্ৰদান কৰা হয়। আয়োজক বিশ্ববিদ্যালয়ৰ ভলণ্টিয়াৰৰ এটা দলে শ্ৰেষ্ঠ নিয়মানুৱৰ্তিতা পালন কৰা দলৰ খিতাপ লাভ কৰাৰ লগতে বিহাৰৰ দলটোৱে শ্ৰেষ্ঠ সাংস্কৃতিক প্ৰতিযোগী দল হিচাপে ঘোষিত হয়।